**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

000000

১। নেৰানেপেৰা বৰষুণ আৰু ভূমিস্খলনত গুৱাহাটী স্বাভাৱিক জনজীৱন ব্যাহত। বৰ্তমানলৈ ৫ জন লোকৰ মৃত্যু। কামৰূপ মহানগৰ আৰু কামৰূপ জিলাৰ সকলো শিক্ষানুষ্ঠান বন্ধৰ ঘোষণা।

২। কেইবাদিনো ধৰি হোৱা ধাৰাষাৰ বৰষুণত ৰাজ্যৰ বিভিন্ন অঞ্চলৰ জনজীৱন ব্যাহত। অহা ২৪ ঘণ্টাত ঠাই বিশেষে ধুমুহা-বতাহৰ লগতে প্ৰবল বৰষুণৰ আগজাননী।

৩। বিদেশী বুলি ঘোষিত নিৰুদ্দেশ হৈ থকা প্ৰায় ৩০ হাজাৰ লোকক বিচাৰি বিতাড়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৪। অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া ৰঞ্জন শৰ্মাৰ নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ২০ ৰানত জয়লাভ।

000000

বংগোপসাগৰত সৃষ্টি হোৱা গভীৰ নিম্নচাপৰ প্ৰভাৱত সমগ্ৰ পূব আৰু উত্তৰ-পূব ভাৰতত হোৱা প্ৰৱল বৰষুণৰ ফলত অসমৰো বিভিন্ন ঠাইৰ জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত ৰাজ্যৰ কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰা হৈছে। বতৰ বিজ্ঞান বিভাগে জনোৱা অনুসৰি অহা ২৪ ঘণ্টাত অসমৰ বিভিন্ন স্থানত ৪০-৫০ কিলোমিটাৰ প্ৰতিঘণ্টা বেগত বতাহ বলাৰ লগতে ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে। ইপিনে অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ডৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে আগলি বতৰা দিছে।

গুৱাহাটীত নেৰানেপেৰা বৰষুণৰ ফলত হোৱা ভূমিস্খলনত বৰ্তমানলৈকে শিশু আৰু মহিলাসহ ৫ জন লোকৰ মৃত্যু হৈছে। গুৱাহাটী মহানগৰীত বানে জটিল ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত নগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মহানগৰীৰ ৰুক্মিণীগাঁও আৰু সাতগাঁৱত দুটাকৈ বান সাহায্য শিবিৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে বানত ক্ষতিগ্ৰস্ত লোকে যোগাযোগৰ বাবে কেইবাটাও ফোন নম্বৰ ৰাজহুৱা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয় যে এই অঞ্চলসমূহৰ লগতে সমীপৰ আন কোনো স্থানত যদি সাধাৰণ জনতা অসুবিধাৰ সন্মুখীন হৈছে তেন্তে ফোন নম্বৰ কেইটাত তেওঁলোকে যোগাযোগ কৰিব পাৰিব। ইপিনে গুৱাহাটী মহানগৰীত সৃষ্টি হোৱা বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত কয়, যে মেঘালয়ত হোৱা পাহাৰ খননৰ ফলস্বৰূপে গুৱাহাটীৰ বান সমস্যা অধিক জটিল ৰূপ ধাৰণ কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়–

**বাইট (চি এম)**

জনতাৰ বাবে মুকলি কৰি দিয়া ফোন নম্বৰ কেইটা হৈছে ৮৪৮৬৬৪০৬৩৩, ৮১৩৪৮৬৬২১২, ৯৯৫৪৩২৩৬১৪ আৰু ৯৯৫৪২৪১৭৬৬।

বৰষুণৰ লগতে বিভিন্ন প্ৰান্তত অহা ধুমুহা-বতাহে জনসাধাৰণৰ বিস্তৰ ক্ষতি সাধন কৰিছে। কালি বিয়লি ধুবুৰী জিলাৰ বগৰীবাৰীত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন চলন্ত বাছৰ ওপৰত এজোপা গছ উভালি পৰাত বাছখনৰ বিস্তৰ ক্ষতি সাধন হয়। অৱশ্যে ঘটনাত কোনো লোকৰ প্ৰাণহানি হোৱা নাই বুলি জানিব পৰা গৈছে। ইপিনে ছিপাঝাৰৰ পিঠাখোৱাপাৰাত এখন ই-ৰিক্সাৰ ওপৰত গছ উভালি পৰাত ৫ জন লোক আহত হয়। অঞ্চলটোৰ এগৰাকী শিক্ষয়িত্ৰীয়ে বিদ্যালয়লৈ গৈ অৱস্থাত এজোপা গছ উভালি পৰাত গুৰুতৰভাৱে আহত হয়। আহত শিক্ষয়িত্ৰীগৰাকীক স্থানীয় লোক আৰু সহকৰ্মী শিক্ষকৰ তৎপৰতাত মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইপিনে উজনি অসমৰ গোলাঘাট জিলাতো প্ৰবল ধুমুহা-বৰষুণৰ বাবে কমাৰগাঁও-খুমটাই অঞ্চলৰ ৩৫ খন গাঁৱৰ বিদুৎ সংযোগ কৰ্তন কৰা হয়।

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১৪ এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে তিনি-চাৰিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

দুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বৰাক উপত্যকাৰ শিলচৰ-লামডিং সংযোগী ৰে'লপথৰ ওপৰেদি পানী বাগৰা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত সবিশেষ জনাই শিলচৰৰ সংবাদদাতা আঁখীৰাণী দাসে—
-

**ভইচ (আঁখীৰাণী দাসে)**

বৰাক নদীৰ জলপৃষ্ঠ ১৩ দশমিক ৬-৫ মিটাৰলৈ বৃদ্ধি পাইছে। প্ৰতিকূল বতৰৰ বাবে আজি শিলচৰ-গুৱাহাটী আৰু গুৱাহাটী-শিলচৰৰ মাজত যাত্ৰীবাহী ৰে'লৰ সময়সূচী সালসলনি কৰা হৈছে। কালি নিশা ১১ বাজি ৫৫ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা কৰিবলগীয়া শিলচৰ অভিমুখী ৰে'লখনে আজি পুৱা ৬ বজাত যাত্ৰা আৰম্ভ কৰিছে। ইফালে কালি নিশা ১০ বাজি ৪০ মিনিটত শিলচৰৰ পৰা গুৱাহাটী অভিমুখে আহিবলগীয়া ৰঙীয়া এক্সপ্ৰেছে আজি পুৱা ৬ বজাত যাত্ৰা আৰম্ভ কৰিছে।

প্ৰৱল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। অৱশ্যে প্ৰতিকূল বতৰৰ বাবে সাময়িকভাৱে স্থগিত ৰখা গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি পুনৰ আৰম্ভ হৈছে।

আমাৰ হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, নগাঁও আৰু হোজাইৰ সংবাদদাতাসকলে জনোৱা মতে ধাৰাষাৰ বৰষুণৰ ফলত জিলাকেইখনৰ স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হোৱাৰ লগতে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ প্ৰধান উপ-নৈসমূহৰ পানী ফেনে-ফোটোকাৰে বাঢ়িবলৈ লোৱাত নৈপৰীয়া জনসাধাৰণ শংকিত হৈ পৰিছে।

০০০০০০

জটিল বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীৰ সকলো শিক্ষানুষ্ঠান আজি বন্ধ থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। দিছপুৰত কালি অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কামৰূপ মহানগৰ আৰু কামৰূপৰ চৰকাৰী কৰ্মচাৰীসকলৰ আজিৰ বাবে নৈমিত্তিক

ছুটী দিয়া হৈছে। সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সকলো জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আলোচনা কৰে বুলিও সংবাদমেলত প্ৰকাশ কৰে। ভূমিস্খলনৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি কাছাৰ, ডিমাহাচাও, হাইলাকান্দি, কামৰূপ মহানগৰ, কামৰূপ, কাৰ্বি আংলং আৰু শ্ৰীভূমিত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

**ডিব্ৰুগড় জিলা প্ৰশাসনে বাৰিষাৰ সময়ছোৱাত মথাউৰিত হ'ব পৰা যিকোনোধৰণৰ ক্ষয়-ক্ষতি যেনে মথাউৰি ছিগা তথা ফাটমেলা, মথাউৰিৰ ওপৰেৰে পানী বাগৰা ইত্যাদি সম্বন্ধীয় যিকোনো খবৰ তাৎক্ষণিকভাৱে প্ৰশাসনক অৱগত কৰিবলৈ জিলা জৰুৰীকালীন নিয়ন্ত্ৰণ কক্ষৰ হেল্পলাইন নম্বৰ ৰাইজৰ বাবে মুকলি কৰিছে। জনসাধাৰণে ৯৪৩৫-৩৫৮৩৭১ ম'বাইল নম্বৰ বা ০৩৭৩-২৩১২৯৪০ আৰু ০৩৭৩-২৪৫০১০০ লেণ্ডলাইন নম্বৰত লগতে টোল ফ্ৰী নম্বৰ ১০৭৭-ত যোগাযোগ কৰি তেনেধৰণৰ ক্ষয়-ক্ষতিৰ বিষয়ে ডিব্ৰুগড় জিলা প্ৰশাসন তথা সংশ্লিষ্ট বিভাগক অৱগত কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।**

০০০০০০

ৰাজ্য চৰকাৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কালি বোকাখাতৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে খহনীয়াগ্ৰস্ত অঞ্চলত পৰ্কুপাইন, জিঅ'বেগ আদিৰে খহনীয়া ৰোধৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে।

০০০০০০

ৰাজ্যত বিদেশি বুলি ঘোষিত কোনো লোকক থকাৰ অনুমতি দিয়া নহ'ব আৰু তেওঁলোকক বহিষ্কাৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি দিছপুৰ এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিদেশী বুলি ঘোষিত প্ৰায় ৩০ হাজাৰ লোক নিৰুদ্দেশ হৈ আছে আৰু এই লোকসকলক বিচাৰি বিতাড়ণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। তেওঁ কয়, যে বিদেশী বুলি ঘোষিতসকলৰ ভিতৰত যিসকলে নাগৰিকত্ব সন্দৰ্ভত ন্যায়ালয়ত আপীল কৰিছে তেওঁলোকক চৰকাৰে আটক নকৰে, কিন্তু এনে নকৰাসকলক বিতাড়ন কৰা হৈছে। উচ্চতম ন্যায়ালয়ে বিদেশী বুলি ঘোষিতসকলক ঘূৰাই পঠিওৱা সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে আৰু ৰাজ্য চৰকাৰে এই নিৰ্দেশনা পালন কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। পৰহি মেঘালয় আৰু শিলচৰ সীমান্তত ৩৫ জন বাংলাদেশীক আটক কৰি ঘূৰাই পঠিওৱা বুলি প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে শেহতীয়াকৈ ডেৰগাঁৱত হোৱা আৰক্ষী সন্মিলনত বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এন আৰ চি উন্নীতকৰণৰ বাবে ৰাজ্যৰ বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়া স্থগিত আছিল বুলিও তেওঁ অৱগত কৰে। দুৰ্গম আৰু সীমান্ত অঞ্চলৰ লোকক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ সিদ্ধান্তক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে বিপদশংকুল অঞ্চলত জনসাধাৰণৰো জীয়াই থকাৰ অধিকাৰ আছে আৰু সংবিধানে অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ ল'বলৈ আমাক অধিকাৰ দিছে। সীমান্তত থকা লোকক সুৰক্ষা দিয়াটো চৰকাৰৰ দায়িত্ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ১৯৮৫ চনতে এই সিদ্ধান্ত লোৱা হ'লে মাটি-বাৰি এৰি আহিবলগীয়া নহ'লহেঁতেন।

০০০০০০

অসম অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰঞ্জন শৰ্মাই কাইলৈ ৰাজ্যিক নিৰ্বাচন আয়োগৰ আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব। শ্ৰী শৰ্মাই ৬৫ বছৰ বয়সলৈ এই পদত কাৰ্যনিৰ্বাহ কৰিব। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে কালি এই সন্দৰ্ভত আধিসূচনা জাৰি কৰে। ৰঞ্জন শৰ্মা অৱসৰৰ পিছত মুখ্যমন্ত্ৰী সচিবালয় আৰু ৰূপান্তৰ তথা উন্নয়ন বিভাগৰ বিশেষ আয়ুক্ত সচিব হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে আজি বৰ্তমানৰ নিৰ্বাচন আয়ুক্ত আলোক কুমাৰৰ কাৰ্যকালৰ অন্ত পৰিব।

oooooo

মুম্বাই ইণ্ডিয়ানছে যোৱানিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত গুজৰাট টাইটানছক ২০ ৰানত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২০৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাই ইণ্ডিয়ানছে এই জয়েৰে দ্বিতীয়খন কোৱালিফায়াৰত প্ৰৱেশ কৰিছে আৰু অভিলেখ সংখ্যক সপ্তমবাৰৰ বাবে আই পি এলৰ খিতাপ জয়ৰ আশা সজীৱ কৰি ৰাখিছে। গুজৰাট টাইটানছ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। মুম্বাই ইণ্ডিয়ানছ কাইলৈ দ্বিতীয়খন কোৱালিফায়াৰত পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে মঙলবাৰে ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সৃষ্টি হোৱা বান পৰিস্থিতি, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মুষলধাৰ বৰষুণৰ আগজাননীৰে কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰা আৰু গুৱাহাটীত পাহাৰৰ মাটি খহি কেইবাজনো লোকৰ মৃত্যুৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে প্ৰবল বৃষ্টিপাতে ৰাজ্যৰ জনজীৱন প্ৰায় স্তব্ধ কৰি তোলা আৰু বতৰ বিজ্ঞান বিভাগে দিয়া আগলি বতৰাৰ জেৰ টানি আগত চাৰি দিনলৈ ৰাজ্যত হ'ব প্ৰবল বৃষ্টিপাত শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিক আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰতিকূল বতৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আজি হ'বলগীয়া সকলো পৰীক্ষা স্থগিত ৰখাৰ বাতৰি দৈনিক অসম কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে লোকসভাত কংগ্ৰেছৰ উপ-দলপতি গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী এলিজাবেথ গগৈ পাকিস্তান লিংক সন্দৰ্ভত অসম আৰক্ষীৰ এছ আই টিৰ জেৰাৰ সন্মুখীন হ'ব বুলি উল্লেখ কৰি গৌৰৱক জেৰাৰ অনুমতি বিচাৰিব এছ আই টিয়ে শিৰোনামেৰে এটা বাতৰি বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে সদ্য দায়িত্ব লাভ কৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে গৌৰৱ গগৈৰ সৈতে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই কালি ২০২৬ চনৰ ৰণনীতি প্ৰস্তুত কৰিবলৈ এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতে কাৰ্বি লাংপিৰ পাঁচখন আৰু ৰঙানদী বান্ধৰ দুখন গে'টেৰে পানী এৰি দিয়াৰ বাতৰিক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত কালি অনুষ্ঠিত বিজেপি আৰু অগপৰ গুৰুত্বপূৰ্ণ বৈঠকৰ জেৰ টানি অসমীয়া খবৰ কাকতে ৰাজ্যসভাৰ অসমৰ দুখন আসনৰ বাবে হ'বলগীয়া নিৰ্বাচনত দল দুটাই এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সংভাপতি গৌৰৱ গগৈয়ে আজি যোৰহাটলৈ আহিব বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে সদৌ অসম ছাত্ৰ সন্থাই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ পৰ্যালোচনা বিচৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এখন প্ৰতিবেদনৰ উদ্ধৃতিৰে ভাৰতে চীনক চেৰ পেলাই আমেৰিকা যুক্তৰাষ্ট্ৰলৈ সৰ্ববৃহৎ আইফোন ৰপ্তানিকাৰী ৰূপে পৰিগণিত হোৱা বুলি দ্যা ছেণ্টিনেল কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাও....।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ' এপৰ লগতে ফে'চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিংতো শুনিবলৈ পাব।

০০০০০০

সমাপ্ত